# বিজ্ঞান ধাৰাৱাহিক -- বহনক্ষম বিকাশ ...

## খণ্ড -- ৩১

## বিষয় – জৈৱ – বৈচিত্ৰ্যৰ সংৰক্ষণ

ড০ অপৰ্ণা বুজৰবৰুৱা

মূল চৰিত্ৰ সমূহ

| | | |
|---|---|---|
| ১. ড০ ধ্ৰুৱী চৌধুৰী - | স্কুলৰ অধ্যক্ষ | ৫০ বছৰ বয়স |
| ২. ড০ অভিজিৎ গোস্বামী - | জীৱ বিজ্ঞানৰ শিক্ষক | ৪০ বছৰ বয়স |
| ৩. শ্ৰী জিতেন শৰ্মা - | শিক্ষক (চন্দ্ৰিমাৰ দেউতাক) | ৪৫ বছৰ বয়স |
| ৪. চন্দ্ৰিমা - | দশম শ্ৰেণীৰ ছাত্ৰী | ১৫ বছৰ বয়স |
| ৫. নিজৰা - | ছাত্ৰী | ১৫ বছৰ বয়স |
| ৬. আকাশ - | ছাত্ৰ | ১৫ বছৰ বয়স |
| ৭. বৰুণ - | ছাত্ৰ | ১৫ বছৰ বয়স |

(ছাত্ৰ ছাত্ৰী – চন্দ্ৰিমা, নিজৰা, আকাশ আৰু বৰুণৰ দ্বাৰাই ছাত্ৰ –ছাত্ৰীৰ ৰূপায়ণ কৰিব পাৰিব)

নাটকৰ আৰম্ভনি

(জিতেন শৰ্মাৰ ঘৰ। ঘৰটো ৰাস্তাৰ কাষত। সময় ৰাতিপুৱা ৬-৩০ বজা। চৰাই – চিৰিকতিৰ মাত শুনা যাব। ৰাস্তাইদি যান – বাহন চলাচল কৰাৰ শব্দ হ'ব। বাহিৰৰ বাৰান্দাত বহি চন্দ্ৰিমাৰ দেউতাকে বাতৰি কাকতৰ বাবে অপেক্ষা কৰি আছে। এনেতে চন্দ্ৰিমাই লৰালৰিকৈ ব্ৰেকফাস্ট খাই উঠি স্কুললৈ যাবলৈ ওলাই আহি – দেউতাকক ক'লে -)

চন্দ্ৰিমা – দেউতা! ব'লানে, মোক স্কুলত থৈ আহা।

শৰ্মা – কিয়? আজি দেখোন ৰবিবাৰ।

চন্দ্ৰিমা – তুমি যে ইমান পঋৰা, তোমাকে দেখোন কালি সন্ধিয়া মই কৈছিলো যে – ' আমাক অহা কালি স্কুলৰ পৰা ক্ষেত্ৰভিত্তিক অধ্যয়ণ কৰিবৰ বাবে গাৱঁলৈ লৈ যাব'। আমি ঘূৰি আহি পাওঁতে গধূলি হ'ব।

শৰ্মা- অ ..., হয় দিয়া মনত পৰিছে। যোৱা! গাড়ীৰ চাবিটো আনা।

চন্দ্ৰিমা – লোৱা! মই চাবি হাতত লৈয়ে আছো। ব'লা, মোৰ দেৰি হৈছে। তুমি ৫ টা বজাত মোক পুনৰ স্কুলৰ পৰা আনিব লাগিব দেই। পাহৰি আকৌ নাযাবা।

শৰ্মা – হ’ব দিয়া। মাক মাত নিদিলা।

চন্দ্ৰিমা – মই মাক মাত দিছোৱেই। মা বাথৰুমত সোমাইছে।

শৰ্মা – হয় নেকি? ব’লা তেনেহলে। পিছে তোমালোকে দুপৰীয়া খোৱা – বোৱা কত কৰিবা?

চন্দ্ৰিমা – তুমি চব কথা পাহৰা দেই। ‘পেকেট লাঞ্চ’ লৈ যাব। যোৱা সপ্তাহত যে তাৰবাবে ১০০ টকা দিছিলা পাহৰিলা নেকি?

শৰ্মা- এৰা হয়তো।

(সংগীত বাজিব বা যি কোনো গান বজাই দিলে হ’ব)

(স্কুলৰ চৌহদ। বাছত ল’ৰা – ছোৱালীবোৰ উঠাৰ হুলস্থুল। বাছৰ হৰ্ণ দিয়াৰ শব্দ আদি হ’ব লাগিব)

জীৱ বিজ্ঞানৰ শিক্ষক – সকলো আহিছানে?

ছাত্ৰ ছাত্ৰী – হয় ছাৰ! চন্দ্ৰিমা আৰু আকাশহে আহি পোৱা নাই।

অধ্যক্ষ – অ ..., সৌদুটা আহিছে। দেৰি কৰিলা যে?

চন্দ্ৰিমা – ইয়াক বাটতে পাই আমাৰ গাড়ীত লৈ আহিছো।

অধ্যক্ষ – উঠা, উঠা সোনকালে, ন’হলে দেৰি হৈ যাব।

(বাছত উঠি ছাত্ৰ ছাত্ৰী বিলাকে স্ফুৰ্তিতে চিঞৰ বাখৰ কৰিব ধৰিলে)

অধ্যক্ষ – ৰ’বা! ইমান চিঞৰ – বাখৰ কৰিব নালাগে। মই তোমালোকক বিশেষ জ্ঞান দিবৰ বাবেহে আজি ৰবিবাৰেও এনেদৰে লৈ আহিছো। কাৰণ, স্কুল খোলাৰ দিনা গ্লিলে তোমালোকৰ ক্লাচবোৰ ক্ষতি হ’ব। সেইটো মই নিবিচাৰো। তোমালোকে জানাই, আমাৰ স্কুলখন অসমৰ ভিতৰতেই এখন নাম থকা স্কুল। আমি এইদৰে বিভিন্ন ধৰণে শিক্ষা প্ৰদান কৰো কাৰণে মেট্ৰিকত আমাৰ স্কুলৰ পৰা সদায় ৪/৫ টা ল’ৰা – ছোৱালীয়ে প্ৰথম ২০ টাৰ ভিতৰত স্থান দখন কৰি আহিছে। তোমালোকৰ পৰাও মৈ সেইখিনি আশা কৰিছো, বুজিছানে? বাৰু! এতিয়া স্ফুৰ্তি কৰা, গানো গাব পাৰা। ৰবি! গাড়ী চলোৱা।

(গাড়ী চলোৱাৰ শব্দ হ’ব)

ছাত্ৰ ছাত্ৰী - ঐ গান গা, বৰুণ গীতাৰখন বজাবি দেই। (সকলোৱে একেলগে গাব)

গীত – অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ
ভাৰতৰে পুৰ্বদেশৰ সূৰ্য্য উঠা দেশ ।
গোটাই জীৱন বিচাৰিলেও
অলেখ দিৱস ৰাতি
অসম দেশৰ দৰে নাপাওঁ
ইমান মাটি ।।

(এনেতে অধ্যক্ষই ক'ব)

অধ্যক্ষ – বঢ়িয়া হৈছে। এতিয়া গান বন্ধ কৰা। আমি পালোহিয়াই।

(সকলোৱে গান বন্ধ কৰে)

অধ্যক্ষ (ড্ৰাইভাৰক ক'ব) – ৰ'বা! বাওঁফালৰ ৰাস্তাৰে চিধাই সৌ পাহাৰৰ নামনিলৈ গাড়ী লৈ যোৱা। তাতেই সোঁফালে পথাৰখনৰ কাষত গাড়ীখন ৰখাবা। আমি একেবাৰে পাহাৰৰ কিছু ভিতৰলৈকে যাম। পথাৰখনৰ বাওঁফালে বিলখন দেখিছানে? মই বন্ধৰ দিনত প্ৰায়ে এই ঠাইলৈ আহোঁ। বৰ ভাল লাগে। চৰকাৰে যিদৰে ব্যক্তিগত প্ৰতিষ্ঠান সমূহক মাটি প্ৰদান কৰি আহিছে, কিজানি কোনোবা দিনা এইখিনি ঠাইটো কিবা উদ্যোগ আদি গঢ়ি উঠে, কি ঠিক। কিমান ঠাইৰ যে এইদৰে প্ৰাকৃতিক পৰিৱেশ নষ্ট হৈছে তাৰ হিচাপ নাই। গতিকে তেনে কিবা এটা হোৱাৰ আগতে তোমালোকে প্ৰকৃতিৰ এই সুন্দৰ পৰিৱেশ এটা দেখুৱাই অনাৰ বাবে মনস্থ কৰিলো, যিখন ঠাই জৈৱ – বৈচিত্ৰ্যৰ ভড়াল বুলি 'লেও বঢ়াই কোৱা নহ'ব।

চন্দ্ৰিমা – জৈৱ – বৈচিত্ৰ্য মানে কি বুজায়, ছাৰ?

অধ্যক্ষ – আমাৰ চৌপাশে থকা বিভিন্ন গছ – গছনি, চৰাই – চিৰিকতি, বিভিন্ন ধৰণৰ প্ৰাণী, কীট – পতঙ্গ, অনুজীৱ আদিক একেলগে জৈৱ – বৈচিত্ৰ্য বুলি কোৱা হয়। বৰ্তমানে জনসংখ্যা বিস্ফোৰণৰ বাবে অবাঞ্চিত ভাৱে বণাঞ্চল ধ্বংস হ'বলৈ ধৰিছে। নগৰীকৰণ, ৰাস্তাঘাট নিৰ্মাণ, ব্যৱসায় – বাণিজ্যৰ বাবে বিভিন্ন উদ্যোগ আদি স্থাপন, পাহাৰীয়া ঠাইত ঝুম খেতিৰ প্ৰচলন কৰা, নদীক বান্ধ দি জলবিদ্যুত প্ৰকল্প আদি স্থাপন কৰাৰ ফলত গছ – গছনি আৰু বঞ্চ প্ৰাণীৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস পাবলৈ ধৰিছে। গতিকে তোমালোকে নিজ চকুৰে চালে এইবিষয়ে ভালদৰে শিকিবা। তোমালোক এতিয়া বাছৰ পৰা নামে। আমি আমাৰ নিৰ্দ্দিষ্ট স্থান পালোহি।

(বাছ ৰখোৱাৰ শব্দ, আৰু ল'ৰা – ছোৱালীবোৰ বাছৰ পৰা নমাৰ শব্দ দিব লাগিব)

ছাত্ৰ ছাত্ৰী – ছাৰ! পথাৰৰ ধানবোৰ যিমান লহপহকৈ হ'ব লাগিছিল সেইধৰণে হোৱা নাই দেখোন, কিয় ছাৰ?

জীৱ বিজ্ঞানৰ শিক্ষক – সেয়া তোমালোকপ্ৰ মনলৈ প্ৰশ্ন আহিলেই নহয়। কিয় জানানে? সৌ যে দূৰত ইটাৰ ভাটাটো দেখিছা – তাৰপৰা ওলোৱা ধোঁৱাই অনবৰতে বাঢ়ি অহা ধানগছবোৰক কলুষিত কৰি থাকে। তদুপৰি কাষতে থকা ঘাই পথটোৰে অনবৰতে অহা – যোৱা কৰি থকা গাড়ী – মটৰৰ ধোঁৱাৰ দ্বাৰাও গছবোৰ কম প্ৰদুষিত হয়েন? সিবিলাকে গছবোৰৰ বিপাক কাৰ্য্যত যথেষ্ট ব্যাঘাত জন্মায়? গতিকে ভাল স্বাস্থ্য কেনেকৈ হ'ব?

চন্দ্ৰিমা – ছাৰ! হাবিখনৰ দেখোন ডাঙৰ ডাঙৰ গছবোৰৰ বেছিভাগেই গুৰিতেই কটা।

অধ্যক্ষ – নকবা আৰু! কেনেকৈ প্ৰকৃতি ধ্বংস কৰিছে দেখিছা? এইবোৰ চোৰাং চিকাৰীৰ কাম। এইবোৰ বহুত মূল্যৱান বৃক্ষ আছিল।

আকাশ – এইবোৰ কি গছ আছিল ছাৰ?

অধ্যক্ষ – বেছি ভাগেই শাল, চেগুণ আদি গছ। এই গছবোৰ অসমৰ হাবিত যথেষ্ট পৰিমাণে পোৱা যায়।

চন্দ্ৰিমা – ( বাকী ল'ৰা – ছোৱালীবোৰক দেখুৱাই)
ঐ! এইফালে চাছোন! এই গছডালৰ গুৰিত ৰঙামাটিৰ দ'মটো ইমান ধুনিয়াকৈ পিৰামিডৰ দৰে হৈছে, যেন কোনোবাই তৈয়াৰহে কৰিছে।

ড০ গোস্বামী – অ' সেইটো উঁইৰ হাফল. ভালকৈ চোৱাছোন। তাৰমাজত উঁইপোক দেখিবা। ইংৰাজীত ইহঁতক বোলা হয়।

চন্দ্ৰিমা – ছাৰ! এইবোৰ এটা ইমান ডাঙৰ পৰুৱাৰ 'লাইন'। এই উঁই – হাফলুটোৰ যালে আহি আছে।

অধ্যক্ষ --অ ... সেইবোৰ আমৰলি পৰুৱা। সৌ আম গছ ডালৰ পৰা আহিছে। ইহঁতে আমগছৰ পাত গোটাই বাঁহ সাজে। চাবা দেই, ইহঁতে কামুৰিলে কিন্তু বৰ বিষায়। এই উঁইবোৰ খাবলৈ আহিছে। (এনেতে গছডালৰ পৰা এটা সৰু চৰাই ফটকৰে নামি আহি পৰুৱা দুটামান মুখত লৈ উৰি গ'ল) । 'দেখিলানে ? চৰাইতোৱে কেনেকৈ ফটকৰে পৰুৱা মুখত লৈ উৰি গ'ল। আমি চাই থাকোতেই নিলে। আকাশ! তুমি কি ইমান গছডালৰ ওপৰলৈ চাই আছা?

আকাশ – গছডালৰ ওপৰত দুটা বান্দৰে কেনেকৈ ফলবোৰ খাই আছে, চাই থাকি বৰ ভাল লাগিছে। কিন্তু বান্দৰ দুটা আমি সদায় দেখা বান্দৰৰ দৰে নহয়। ইহঁতৰ মুখখন চেপেটা আৰু নেজডাল বহুত দীঘল।

জীৱ বিজ্ঞানৰ শিক্ষক – অ' ... ইহঁত এবিধ বেলেগ প্ৰজাতিৰ বান্দৰ, ইহঁত মানুহৰ মাজলৈ নাযায়। ইহঁতক হনুমান বান্দৰ বুলিও কয়। বান্দৰৰ বহুত প্ৰজাতি আছে। সোনালী বান্দৰো আছে।

চন্দ্ৰিমা – ছাৰ! গছডালৰ সৌ খোৰোংটোত ভাটৌ পোৱালী আছে। ইমান মৰম লগা। ওচৰৰ ডালটোত মাকজনীয়ে পহৰা দি ৰৈ আছে।

ড০ গোস্বামী – থাকিবটো, নহ'লে যে পোৱালী কেইটা সাপে খাব।

ছাত্ৰ – ছাত্ৰী – অ ... মা! সাপ ওলাব নেকি? বৰ ভয় লাগে দেই।

আকাশ – ঐ চাছোন! মোৰ ভৰিৰ কাষেদিয়েই নেউল এটা কেনেকৈ দৌৰি গ'ল।

অধ্যক্ষ – তোমালোকে মন কৰিলানে কথাটো? এই এডাল বৃহৎ গছেই কেনেকৈ এটা পৰিৱেশতন্ত্ৰ গঢ়ি উঠাত সহায় কৰিছে। গছডালৰ গুৰিত উঁই – হাফলু, উঁইক খাইছে ডাঙৰ পৰুৱাই, সেই পৰুৱাক খাইছে তাতোকৈ ডাঙৰ কীট বা চৰাইয়ে, চৰাইক খায় সাপে, সাপক খাব নেউলে, নেউলক খাব তাতোকৈ ডাঙৰ কপনোবা জন্তুৱে। এইদৰে প্ৰকৃতি জগতত একো একোটা স্ব – নিৰ্ভৰ্শীল পৰিৱেশ তন্ত্ৰ গঢ়ি উঠে। গতিকে এনে এডাল বৃহৎ গছ কাটি পেলালে পৰিৱেশৰ বহুত ক্ষতি হয়। ফলত খাদ্যজালৰ, সেই খাদ্য খাই জীয়াই থকা জীৱবোৰৰ খাদ্যৰ অভাৱত এই প্ৰকৃতি জগতত বিলুপ্তি ঘটে। এনেধৰণে এসময়ত থকা কিমানযে জীৱ এই পৃথিৱীৰ পৰা নোহোৱা হৈ গ'ল। কিছুমান বৰ্তমান স্পৰ্শকাতৰ হৈ আছে আৰু আন কিছুমান বিলুপ্তিৰ পথত। কিন্তু জীৱশ্ৰেষ্ঠ মানুহে এইবোৰ কথা মুঠেই চিন্তা নকৰি নিজ স্বাৰ্থ পূৰণৰ বাবে জধে – মধে গছ কাটিয়েই আছে।

চন্দ্ৰিমা – ছাৰ! এনে বিলুপ্ত হ'ব খোজা কেইবিধমান উদ্ভিদ আৰু ্প্ৰাণীৰ নাম ক'বনে?

ড০ গোস্বামী – 'নোট বুক' আনিছা নহয়? লিখি যোৱা।

ছাত্ৰ – ছাত্ৰী – হয় ছাৰ! আমি কথাবোৰ লিখিয়েই আছো।

অধ্যক্ষ – বৰ ভাল কথা। লিখা – প্ৰাণীৰ ভিতৰত দেওঁহাঁহ, সোণালী বান্দৰ, নল গাহৰি, ৰাজধনেশ, উলু ম'ৰা, খাগৰীকটা শহা, মাছৰ ভিতৰত পাভ, এলেং আদি, উদ্ভিদৰ ভিতৰত ভেনিলা, মিচিমিতিতা, কলচী উদ্ভিদ, ৰ'ডডেন্দ্ৰন আৰু মেগনলিয়াৰ কিছুমান প্ৰজাতি।, কেতবোৰ পৰাশ্ৰয়ী ধেকীয়া জাতীয় উদ্ভিদ বৰ্তমান বিলুপ্তিৰ পথত।

আকাশ – আমাৰ অসমৰ এশিঙীয়া গড়ো বিলুপ্তিৰ পথত নহয় জানো ?

অধ্যক্ষ – ঠিকেই কৈছা, চোৰাং চিকাৰীয়ে যিদৰে গড় নিধন কৰি আছে, এদিন অসমৰ পৰা এই গড়ো নোহোৱা হৈ যাব পাৰে। অকল চন্দ্ৰিমা আৰু আকাশেই যে প্ৰশ্ন কৰি আছা বাকীবিলাকৰ মনত কোনো প্ৰশ্ন উদয় হোৱা নাই নেকি ?

বৰুণ – ছাৰ! সৌ গছডালত চাওঁকছোন! ইমান ধুনিয়া কপৌ ফুল ফুলি আছে।

(সকলোৱে সেইফালে চালে)

ছাত্ৰ – ছাত্ৰী – হয়তো, আমি মনেই কৰা নাছিলো। Thankyou বৰুণ।
ড০ গোস্বামী – কপৌফুলৰ বহুত প্ৰজাতি আছে। কিন্তু এইবিধ কপৌফুল কেৱল অসমতহে পোৱা যায়। অসমৰ বিহুৱতীৰ অতি মৰমৰ। বিহু নাছোতে গাভৰু ছোৱালীহঁতে এই কপৌফুল খোপাত মাৰি লয়।

অধ্যক্ষ – এটা কথা মনত ৰাখিবা, কপৌফুল জাতীয় গছবোৰে আন গছত আশ্ৰয়হে লয়। আশ্ৰয় দাতাৰ পৰা আহাৰ গ্ৰহণ নকৰে। নিজৰ আহাৰ নিজে তৈয়াৰ কৰি লয়। এই গছবোৰৰ দুবিধ শিপা আছে। এবিধৰে গছ জোপাত খামোছ মাৰি ধৰি থাকে আৰু আনবিধেৰে আহাৰ তৈয়াৰ কৰিবলৈ লগা প্ৰয়োজনীয় পানী বায়ুমণ্ডলৰ পৰা আফৰণ কৰে।

চন্দ্ৰিমা – কি যে বৈচিত্ৰ্য – এই উদ্ভিদ জগত নহয় ? (ল’ৰা – চোৱালী বিলাকলৈ চাই কয়)

ছাত্ৰ – ছাত্ৰী – (সকলোৱে একেলগে) হয় দেই, আজিহে জানিলো।

ড০ গোস্বামী – ৰ’বা! তোমালোকক আমি এডাল গছৰ পৰিৱেশ তন্ত্ৰ বা বৈচিত্ৰ্যৰ কথা ক’লো। এই ধৰণে এই পাহাৰখনত থকা ঘাঁহ – বন  আৰু মাটিত থকা বিভিন্ন অনুজীৱ বোৰেও  এক বেলেগ খাদ্যজালৰ সৃষ্টি কৰি আছে। তোমালোকৰ নিশ্চয় ভোক লাগিছে, ব’লা! আমি সৌ বণনিখনত বহি লাঞ্চ খাই লওঁ, নহয়নে ছাৰ?

অধ্যক্ষ – হয় ঠিকেই কৈছা। ব’লা!

(সকলো হুলস্থুল কৰি যোৱাৰ শব্দ হ’ব। পানীৰ বটল, পেকেট আদি বিলাই দিয়াৰ শব্দ দিব লাগিব)

ড গোস্বামী – তোমালোকে পেকেট বোৰ য’তে ত’তে দলিয়াই নেপেলাই যিটো কাৰ্টনৰ পৰা উলিয়াইছো তাতেই ভৰাই ৰাখিবা। ড্ৰাইভাৰ আৰু হেণ্ডিমেনকো দিবা। খোৱা শেষ হোৱাৰ পাছত সৌ বিলখনৰ কাষলৈ গৈ জলজ জীৱৰ বিষয়ে কিছু কথা ক’ম।

অধ্যক্ষ – হ’লনে? ব’লা!

ছাত্ৰ- ছাত্ৰী – হয় ছাৰ।

(বটল আদি ৰখাৰ কিছু শব্দ দিব লাগিব। অলপ সংগীত বজাই দিব পাৰে)

ছাত্ৰ- ছাত্ৰী – ছাৰ! বিলখনত দেখোন বিশেষ কোনো চৰাই নায়েই। মাত্ৰ ৫ টা বগলী। গোটেই প্লাষ্টিক আৰু জাৱৰ – জোথৰেৰে ভৰা।

নিজৰা – মই পদুম, ভেট দেখা পাম বুলি ভাবিছিলো। কেৱল মেটেকাৰে ভৰা।

অধ্যক্ষ – এৰা । মই আজি ২/৩ বছৰ আগতে আহোতে যথেষ্ট পদুম ফুল আছিল। মানুহে চহৰলৈ বিক্রি কৰিবলৈ নিওঁতে নিওঁতে সিবিলাকৰ সঁচেই নোহোৱা কৰিলে। যিকোনো এটা প্রজাতিৰ ভৱিষ্যৎৰ বাবে সঁচটো ৰাখিহে ব্যৱহাৰ কৰিব লাগে, এই কথাটো মানুহে কিয় বুজি নাপায় ম নাজানো।
(এনেতে চন্দ্রিমাই হাতত এপাহ ধুনীয়া ফুল লৈ দৌৰি দৌৰি আহি বিজ্ঞান ছাৰক ক'লে -)

চন্দ্রিমা – ছাৰ! চাওঁকছোন ইমান ধুনীয়া ফুল এইপাহ। কি নাম? মই আগতে কেতিয়াও দেখা নাই। বনৰীয়া ফুল নহয়েন?

ড০ গোস্বামী – প্রথমতে চব গছেই বনৰীয়া আছিল। আমি ঘৰলৈ নি সংৰক্ষণ কৰাৰ বাবে কিছুমান বর্তমান ঘৰচীয়া অর্থাৎ ঘৰ বা অনুষ্ঠান প্রতিষ্ঠানৰ বাগিছাত দেখা পাওঁ। কিন্তু তুমি ফুলপাহ চিঙিব নালাগিছিল। কাৰণ ফুলপাহৰ প্রজনন হৈ তাৰ পৰা গুটি হ'লহেতেন আৰু সেই গুটিৰ পৰা ক্রমে এডাল গছ হ'ল হয়। কাৰণ ফুলপাহ হৈছে উদ্ভিদৰ প্রজনন অংগ। তোমালোক সকলোৱে শুনিছানে? কেতিয়াও অনাহকত গছৰ পৰা ফুল নিচিঙিবা। বৰুণ! এই কটাৰীখন লোৱাছোন আৰু সেই গছডালৰ আগ অংশৰ পৰা এটা ডাল কাটি আনাছোন! আমি আমাৰ স্কুলৰ বাগানত কলম কৰি লগাই চাম, কিজানি কলমটোৰ পৰা এনে সুন্দৰ এজোপা জোপোহা গছৰ সৃষ্টি কৰিব পাৰোৱেই। তোমালোক আটাইকে কৈছো – ক'ৰবাত কেতিয়াবা নতুন উদ্ভিদ দেখিলে, সেই উদ্ভিদৰ বীজ সংগ্রহ কৰি বা কলম দি সদায় সংৰক্ষণ কৰিবলৈ চেষ্টা কৰিবা। তেতিয়াহে আমাৰ এই সুন্দৰ প্রকৃতি জগতখনৰ বৈচিত্র্য ৰক্ষা হ'ব।

আকাশ – আমি ইমানখিনি ঠাই ঘুৰিলো এনে উদ্ভিদ মাত্র এজোপাহে দেখা পালো। বাকীবোৰ নিশ্চয় মানুহে কৰা বননি ধ্বংস যজ্ঞৰ বলি হ'ল। নহয় ছাৰ? আৰু এটা কথা ছাৰ, মই বিজ্ঞানৰ আলোচনী এখনৰ এটা প্রৱন্ধত পঢ়িছিলো যে যধে –মধে গছ কটাৰ ফলত প্রতিবছৰে ১০,০০০ নিযুত টন অক্সিজেন গেছ হ্রাস পাব ধৰিছে।

অধ্যক্ষ – ঠিকেই কৈছা। ৰাষ্ট্রসংঘৰ এক প্রতিবেদন অনুসৰি বিগত দশকটোত পৃথিৱীত ধ্বংস হোৱা ১৩০ নিযুত বনাঞ্চল পুনৰ সেউজীয়া কৰিবলৈ ১৪,০০০ কোটি গছপুলিৰ প্রয়োজন হ'ব।

আকাশ – ছাৰ! আমি পাহাৰৰ আশে পাশে ইমান ঘুৰিলো, কিন্তু আমি সদায় দেখি থকা বান্দৰবোৰৰ এটাও নেদেখিলো দেখোন। বান্দৰবোৰ ক'লৈ গ'ল?

ড০ গোস্বামী – আজিকালি বান্দৰবোৰ চহৰৰ মানুহৰ ঘৰতহে থাকে। জীৱশ্রেষ্ঠ মানুহে সিহঁতৰ কাৰণে বনত কিবা ৰাখিছে জানো? ইমানবোৰ কনগছ দেখিলা, ক'ৰবাৰ এথোক কল দেখিলানে? পকিলে বান্দৰে খাব বুলি চ কেচাতে কাটি নি গেছ দি পকায়। গতিকে বান্দৰে মানুহৰ ঘৰত উৎপাত নকৰি কৰিব কি?

ছাত্র –ছাত্রী – কথাটো সঁচাকৈয়ে ভাৱিবলগীয়া। বান্দৰক দোষ দি লাভ নাই।

অধ্যক্ষ – হাতীৰ ক্ষেত্ৰটো সেই একে কথাই হৈছে। হাতীয়ে ঔটেঙা খাই ভাল পায়। সেইবোৰ মানুহে নি চব বজাৰত বেচেগৈ। হাতীৰ বাবে কল, ঔটাঙা একোৱেই নাৰাখে। ফলত হস্তী মানুহৰ সংঘাটো বাঢ়ি গৈছে।

ছাত্ৰ –ছাত্ৰী – হয় ছাৰ! মানুহে সকলো নিজৰ কাৰণেই লয়, আন জীৱ – জন্তুৰ কথা একেবাৰে নাভাৱে।

অধ্যক্ষ – তোমালোক ভৱিষ্যৎৰ দেশ গঢ়োতা। তোমালোকে এইবোৰ কথাৰ আগভাগ ল’ব লাগিব।
ছাত্ৰ –ছাত্ৰী – কিন্তু আমি কেনেকৈ কৰিম ছাৰ?

অধ্যক্ষ – তোমালোকে সকলো কথা খৰচি মাৰি অধ্যয়ণ কৰা। সুন্দৰ সুন্দৰ চৰাই –চিৰিকতি, কীট – পতঙ্গ, পখিলা আদি অনাহকত বধ নকৰিবা। পাৰিলে সিবিলাক সংৰক্ষণৰ বাবে সদায় চেষ্টা কৰিবা। প্ৰকৃতিৰ সৃষ্টি এই জীৱ সমূহ নোহোৱা হৈ যোৱা মানে প্ৰকৃতি জগতৰ পৰা একো একোটা প্ৰজাতিৰ বিলুপ্তি ঘটা।

চন্দ্ৰিমা আৰু আকাশ – ছাৰ! আপুনি মন কৰিছেনে নাই, আমাৰ নিজৰাই যে দুটা ধুনীয়া ধুনীয়া পখিলা বিলৰ কাষৰ পৰা ধৰি আনিছে।

অশ্যক্ষ – হয় নেকি? কেতিয়া আনিলে? কিয় আনিছা নিজৰা?

নিজৰা – ছাৰ! ই পখিলা বৰ ভাল পাওঁ। মই ঘৰত এখন সৰু পখিলাৰ বাগাণ কৰিছো, মই সিবিলাকৰ বহুত যত্ন লওঁ। ডাঙৰ হৈ মোৰ এখন ‘**Butterfly Park**’ কৰাৰ মন আছে।

অধ্যক্ষ – বাহ, বৰ সুন্দৰ পৰিকল্পনা দেখোন। তোমালৈ মোৰ শুভেচ্ছা আৰু আশীৰ্বাদ থাকিল। পিছে তুমি পখিলা ধৰিলা কেনেকৈ?

ছাত্ৰ –ছাত্ৰী – তাই মনে মনে পখিলা ধৰা ’নেট’ খন আৰু পখিলা ৰাখিবলৈ বিশেষভাৱে তৈয়াৰ কৰা প্লাষ্টিকৰ বাকচ এটা লগত আনিছেই।

অধ্যক্ষ – চাবা যাতে নমৰে।

নিজৰা – নমৰে ছাৰ। মই ক’ৰবালৈ গ’লে সদায় এনেকৈ পখিলা সংগ্ৰহ কৰো।

ছাত্ৰ –ছাত্ৰী – তাই পখিলাৰ ওপৰত গানো লিখিছে।

অধ্যক্ষ – হয় নেকি? নিজৰা গানটো বাছত যাওঁতে শুনিম।

ড গোস্বামী – ৰ’বা! তোমালোকক এই বিলখনত থকা জলজ উদ্ভিদ সমূহৰ লগত পৰিচয় কৰি দিয়াই হোৱা নাই নহয়। মেটেকাবোৰ দেখিছাই কেনেকৈ গোটেই বিলখন ছাটি পেলাইছে।

ছাত্ৰ – ছাত্ৰী – কিন্তু গছডালৰ ফুলবোৰ বৰ ধুনীয়া।

অধ্যক্ষ – সেইবিলাকেইতো, ধুনীয়া ফুলত মোহিত হৈ এজন বৃটিছে জাৰ্মানিৰ পৰা পোনপ্ৰথমে এই গছৰ সঁচ কলিকতালৈ আনিছিল। বৰ্তমান এই উদ্ভিদে ভাৰতবৰ্ষৰ প্ৰায়বোৰ ঠাইৰ খাল, বিল আৰু জলাহ অঞ্চল ছাটি পেলাইছে।

ছাত্ৰ –ছাত্ৰী – তাৰমানে মেটেকা আক্ৰমণকাৰী উদ্ভিদ?

ড০ গোস্বামী –নিশ্চয়। এইফালে চোৱাছোন! এইজোপা কলমৌ শাক। খাদ্য হিচাপে খোৱা হয়।

বৰুণ – ছাৰ! এইজোপা কি ?

অধ্যক্ষ – অ ...। সেইজোপা বিহলঙনী। উচ্চতাৰ ওপৰত ভিত্তি কৰি এই শাক দুবিধ সৰু আৰু বৰ। তোমালোকে জানি থোৱা, অতীজতে সৰু বিহলঙনীৰ পাতেৰে বেজে ৰোগীক কোবাই তান্ত্ৰিক পদ্ধতিৰে চিকিৎসা কৰিছিল ।

( আন এবিধ জলজ উদ্ভিদলৈ দেখুৱাই ড০ গোস্বামীয়ে কয় – )

ড০ গোস্বামী – এইবিধ হৈছে হেলচি। পানীযুৱলিত হয়। তিতা শাক হিচাপে খোৱা হয়। এই ধৰণৰ আৰু বহুতো জলজ উদ্ভিদ আছে। তদুপৰি পানীত সেইবোৰ জিএগ্ৰা, ফৰিং আদি বিভিন্ন ধৰণৰ পতঙ্গ দেখিছাই নহয় ?

ছাত্ৰ – ছাত্ৰী – হয় ছাৰ। ছাৰ! মাছ নাই নেকি?

অধ্যক্ষ – নিশ্চয় আছে। মাগুৰ, পুঠী, শৌল, ৰৌ আদি বহুত মাছেই আগতে আছিল। কিন্তু এতিয়া দেখিছা নহয়, প্লাষ্টিক, জাবৰ – জোঁথৰ আদিৰে বিলখন কেনেকুৱা লেতেৰা হৈছে। সেইকাৰণে পানী প্ৰদুষিত হৈ মাছৰ সংখ্যা কমি গৈছে। এই বিলখনেও এটা জলজ পৰিৱেশতন্ত্ৰৰ সৃষ্টি কৰিছে। প্ৰতিটো জীৱৰে এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। জলজ, স্থলজ সম্পদৰ লগতে তেল, কয়লা আদি বিভিন্ন খনিজ সম্পদৰো তোমালোকে এতিয়াৰ পৰাই সদায় বহনক্ষম উন্নয়ণৰ কথাহে চিন্তা কৰিব লাগিব।

চন্দ্ৰিমা আৰু আকাশ – ছাৰ! আমাৰ পৰিৱেশ বা প্ৰকৃতি জগতৰ যি কোনো সম্পদ দেশ বা মানৱ সমাজৰ উন্নয়নৰ বাবে সম্পুৰ্ণ ক্ষয় বা শেষ নকৰাকৈ ভৱিষ্যৎ প্ৰসন্মৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত কোনো হেঙাৰ নোহোৱাকৈ ব্যৱহাৰ কৰাকে জানো বহনক্ষম বিকাশ বোলা নহয়?

অধ্যক্ষ - **Absolutely correct, very good. I am really proud of my students.** ব’লা! এতিয়া যোৱাই ভাল হ’ব। কাৰণ ৪ টা বাজিছে। দেৰি হ’লে তোমালোকৰ মা – দেউতাই চিন্তা কৰিব। তোমালোকৰ বাৰু কেনে লাগিল?

ছাত্ৰ -ছাত্ৰী – বৰ ভাল লাগিল। আজি বহুত কথা শিকিলো।

চন্দ্ৰিমা – ছাৰ! ্আপোনাৰ দৰে এজন বিশিষ্ট পৰিৱেশ বিজ্ঞানী আৰু গোস্বামী ছাৰৰ দৰে এজন জীৱ - বিজ্ঞানীৰ লগত আজি আমি দিনটো কটাব পাৰিলো, আমাৰ কিমান সৌভাগ্য নহয় (লগৰ বিলাকলৈ চাই কয়)।

ছাত্ৰ – ছাত্ৰী – (সকলোৱে একেলগে) ঠিক কৈছা, চন্দ্ৰিমা!

ড০ গোস্বামী – ব'লা! ব'লা! সকলো বাছত উঠাগৈ।
(সকলো দৌৰা – দৌৰি কৰি যোৱাৰ শব্দ দিব লাগিব, বাছৰ দুৱাৰ খোলা, বন্ধ কৰাৰ শব্দ হ'ব)

ড০ গোস্বামী – সকলো উঠিলানে ?

ছাত্ৰ -ছাত্ৰী – হয় ছাৰ।

অধ্যক্ষ – (ড্ৰাইভাৰক ক'ব) – ৰবি! গাড়ী চলোৱা! ও ...। এতিয়া নিজৰাই পখিলাৰ গানটো গাব পাৰা। বৰুণে গীতাৰখন বজাবা আকৌ।

নিজৰা – গানটো গাব এইদৰে – ( বৰুণে গীতাৰ বজাব)

পখিলা অ' পখিলা
তোৰ লাহি পাখি দুখনি,
কোনেনো সৃজিলে তোক, ইমান ধুনীয়া কৰি।।
ৰঙা, নীলা, হালধীয়া
ফুট ফুটিয়া পাখি দুখনি
চুলে দেখোন যায় জহি খহি
সেয়ে তোক ৰাখিম মই
অতি যতন কৰি।।

সকলোৱে একেলগে – বাহ্ অতি সুন্দৰ হৈছে।

অধ্যক্ষ – নিজৰা তোমাৰ কামত যাতে আগবাঢ়ি যাব পাৰা তাৰ বাবে মোৰ আশীৰ্বাদ সদায় আছে। কিবা সহায় লাগিলে মোক ক'বা।

( সংগীত বাজিব। ড্ৰাইভাৰে গাড়ী ৰখাব)

ড০ গোস্বামী – আমি আহি স্কুলৰ চৌহদ পালোৱেই। (ল’ৰা – ছোৱালীবোৰে হুলস্থুল কৰা শব্দ হ’ব। সকলোৰে মাক – দেউতাক ৰখি আছিল। দেউতা! পাপা! আমি আহিলো। সকলোৱে নিজৰ নিজৰ গাড়ীৰ ফালে আগবাঢ়িল)

ছাত্ৰ –ছাত্ৰী – ছাৰ! আজি বহুত ভাল লাগিল।

অধ্যক্ষ আৰু গোস্বামী একেলগে – **G o o d  ni  g h t  .**

(গাড়ী বিলাক এখন এখনকৈ যোৱাৰ শব্দ হ’ব)

*****************************************************************

প্ৰশ্ন ১ – জৈৱ – বৈচিত্ৰ্য বুলিলে কি বুজায়?

উত্তৰ – আমাৰ চৌপাশে থকা বিভিন্ন গছ – গছনি, চৰাই – চিৰিকতি, বিভিন্ন ধৰণৰ প্ৰাণী, কীট – পতঙ্গ, অনুজীৱ আদিক একেলগে জৈৱ –বৈচিত্ৰ্য বুলি কোৱা হয়।

প্ৰশ্ন ২ – জৈৱ – বৈচিত্ৰ্য কিয় সংৰক্ষণ কৰিব লাগে?

উত্তৰ – আমি বৰ্তমান যিবোৰ প্ৰাকৃতিক সম্পদ উপভোগ কৰি আছো সেইবোৰ যাতে ভৱিষ্যৎ প্ৰজন্মইও উপভোগ কৰিব পাৰে আৰু প্ৰকৃতি জগতখনৰ পৰিৱেশতন্ত্ৰৰ সম্পদৰ কোনো ক্ষয় নহ’বৰ বাবে আমি জৈৱ – বৈচিত্ৰ্যৰ সংৰক্ষণ কৰিব লাগে।

*****************************************************************